নবেম্বৰ-2020 চন, দ্বিতীয় প্ৰকাশ

## বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়

দুমহীয়া আলোচনী

# বহ্নিমান



**"Brahniman"(**Magazine name will be changed with publish time and period uniqueness ） **a two month students magazine published by Union Body of Bokial High School.**

---

---

# বহ্নিমান— দুমহীয়া আলোচনী

**আলোচনীৰ - দ্বিতীয় নামাকৰণ**

শ্ৰীমতী চুম চুম শইকীয়া - ছাত্ৰী- দশম শ্ৰেণী

**সম্পাদক দ্বয়**

শ্ৰী বিজয় কুমাৰ চাহু

শ্ৰীমতী চুম চুম শইকীয়া

**অক্ষয় বিন্যাস**

কুশল এণ্টাৰপ্ৰাইজ , গোলাঘাট

শ্ৰী সঞ্জীৱ গগৈ, শিক্ষক- বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়

**মূদ্ৰণ**

বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়

**বেটুপাট**

শ্ৰী সঞ্জীৱ গগৈ- শিক্ষক- বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়

প্ৰথম প্ৰকাশ- 'নাহৰ'

দ্বিতীয় প্ৰকাশ- 'বহ্নিমান'

# সূচীপত্ৰ


| গল্প | | ছাত্ৰ-ছাত্ৰীৰ নাম |
|---|---|---|
| ১। | দুই বাই-ভনী ৰীণা আৰু মীনা | পিকুমণি দত্ত |
| ২। | উৰা বাতৰিত কাণ নিদিবা | পল্লৱী শইকীয়া |
| ৩। | দুজনী বান্ধবীৰ কথা | প্ৰিয়ানন্দিনী দুৱৰা |

| কবিতা | | ছাত্ৰ-ছাত্ৰীৰ নাম |
|---|---|---|
| ১। | সোপাধৰা | শ্ৰী মনজিৎ বৰা |
| ২। | হৰিনাম | শ্ৰীমতী ৰুণজুণ বৰা |
| ৩। | অধিকাৰ | শ্ৰীমতী চঞ্জনা তামাং |
| ৪। | স্বাধীনতা | শ্ৰীমতী পল্লৱী গগৈ |
| ৫। | মোৰ কৰ্তব্য | শ্ৰীমতী |
| ৬। | ভূপেন মামাৰ স্মৃতি | শ্ৰীমতী সুস্মিতা দাস |
| ৭। | জীৱন | শ্ৰী নিলমণি ফুকন |
| ৮। | মন যায় সাহিত্যিক হবলৈ | শ্ৰীমতী বুধন উৰাং |
| ৯। | আমাৰ শৰাইঘাট | শ্ৰী মনজিৎ বৰা |
| ১০। | আকাশ | শ্ৰীমতী চঞ্জনা তামাং |
| ১১। | মা | শ্ৰীমতী সুপ্ৰীয়া বৰা |
| ১২। | খেৰৰ পুঁজী | শ্ৰীমতী মম্পী হাজৰিকা |
| ১৩। | আমাৰ বিদ্যালয় | শ্ৰীমতী পূজা বৰা |
| ১৪। | পখিলা | ৰাণী গড় |
| ১৫। | মোৰ মন যায় | চঞ্জনা তামাং |
| ১৬। | মা | চিম্পী গুপ্তা |
| ১৭। | জাতি মাটিৰ গান | শ্ৰী নয়নমণি বৰা |

**অন্যান্য ঃ**

**মহৎ লোকৰ বাণী ঃ**

১। শ্ৰী দিব্যজ্যোতি বৰা
২। নিলমণি ফুকন
৩। শ্ৰীমতী ৰেখা শইকীয়া
৪। শ্ৰী অৰুণ বৰা
৫। শ্ৰীমতী চুমচুম শইকীয়া
৬। শ্ৰীমতী দীক্ষা দত্ত
৭। শ্ৰী বিশ্বজিত শৰ্মা
৮। শ্ৰী সুৰজ প্ৰসাদ

**সাঁথৰ ঃ**

১। শ্ৰীমতী ৰশ্মি কছাৰী
২। শ্ৰীমতী চঞ্জনা তামাং
৩। শ্ৰীমতী পাৰ্বতী বৰাইক
৪। শ্ৰীমতী জাহ্নৱী ভূঞা

**কৌতুক ঃ**

১। শ্ৰী মানৱ বৰা
২। শ্ৰীমতী জুবি বৰা
৩। শ্ৰীমতী চঞ্জনা তামাং
৪। শ্ৰীমতী পল্লৱী শইকীয়া

**কুইজ ঃ**

১। শ্ৰীমতী ৰেখা শইকীয়া

# সম্পাদকৰ একাষাৰ

কবিড-১৯পৰিপেক্ষিতত আমাৰ এই আলোচনী প্ৰকাশত পলম হ'ল। তৎস্বত্ত্বেও পূৰ্বতে সংগ্ৰহ কৰি ৰখা লেখা সমূহকে একত্ৰিত কৰি আমি আমাৰ আলোচনী খনত সন্নিবিষ্ট কৰিছো।

আমাৰ লিখক সকল একেবাৰে চালুকীয়া পৰ্যায়তে আছে ; আমাৰ আলোচনী খনি এই লিখক সকলক উৎসাহিত কৰা এটি মাথো প্ৰয়াসহে।

সম্পাদক দ্বয়
শ্ৰীমতী চুম চুম শইকীয়া
শ্ৰী বিজয় কুমাৰ চাহু

# প্ৰধান শিক্ষকৰ মেজৰ পৰা

‘ বহ্নিমান ’- বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ-ছাত্ৰী সকলৰদ্বাৰা প্ৰকাশিত দ্বিতীয়খন আলোচনী। বিদ্যালয়ৰ আলোচনীখন বিদ্যালয়খনিৰ দাপোন স্বৰূপ। য’ত ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাধাৰা,জ্ঞান, প্ৰতিভা আদিৰ পূৰ্ণ প্ৰতিফলন ঘটে। এই বহ্নিমান আলোচনী খনেও ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাধাৰাক মুকলিকৈ প্ৰকাশ কৰিবলৈ সুযোগ দিছে বুলি মই ভাবো। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলদ্বাৰা প্ৰকাশিত প্ৰথমখন আলোচনী ‘নাহৰ’ৰ দৰেই ‘বহ্নিমান ’ৰ ধাৰাও অব্যাহত হৈ থাকিব বুলি আশা ৰাখিলো আৰু লগতে ‘বহ্নিমান ’লৈ লেখা আগবঢ়োৱা তথা সম্পাদনাৰ ক্ষেত্ৰত অৰদান আগবঢ়োৱা সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰি আলোচনীখনে সমাদৰ বুটলিব বুলি পঢ়ুৱৈ সমাজলৈ আগবঢ়ালো।

ধন্যবাদেৰে

যোগেন চন্দ্ৰ গগৈ

প্ৰধান শিক্ষক (ভাৰপ্ৰাপ্ত)

বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়

# দুজনী বান্ধৱীৰ কথা

এসময়ৰ কথা এখন গাঁৱত ক্রিতি আৰু স্নেহা নামৰ দুজনী বান্ধৱী আছিল। দুয়োজনীয়ে দুইজনীকে বহুত ভাল পাইছিল। সিহঁত দুয়োজনীৰ মনটো একে আছিল। বেছিভাগ কথাই সিহঁত দুয়োজনীৰ লগতে মিলিছিল। সিহঁতৰ মাজত এটাই পাৰ্থক্য আছিল। ক্রিতি আছিল ধনী ঘৰৰ ছোৱালী আৰু স্নেহা আছিল দুখীয়া ঘৰৰ ছোৱালী। দুইজনী বান্ধৱীয়েই পঢ়াত চোকা আছিল। শ্রেণীত ক্রিতি নতুবা স্নেহা দুইজনীৰ ভিতৰত কোনোবা নহয় কোনোবা এজনীয়ে প্রথম স্থান পাবই। এনেদৰে দিনবোৰ অতিবাহিত হ'ল। এটা সময়ত স্নেহা আৰু ক্রিতিয়ে দশম শ্রেণী পালে। এদিনাখন স্নেহাই ক্রিতিহঁতৰ মাক-দেউতাকক সিহঁতৰ ঘৰলৈ আহিবলৈ ক'লে। সেয়েহে ক্রিতিয়ে মাক-দেউতাকৰ লগত স্নেহাৰ ঘৰলৈ গ'ল। ক্রিতিৰ মাক-দেউতাকে স্নেহাৰ ঘৰটো দেখি অকণো নৰৈ সোনকালে ঘৰলৈ ঘূৰি আহিল। ঘৰ আহি পোৱাত ক্রিতিৰ মাক-দেউতাকে ক্রিতিক ক'লে যে ইমান দুখীয়া ছোৱালীৰ লগত বন্ধুত্ব কৰিব নালাগে। সেয়েহে তুমি স্নেহাৰ লগ এৰি দিয়া। এই কথা শুনি ক্রিতিয়ে মনত বৰ দুখ পালে আৰু পাছদিনা বিদ্যালয়লৈ গৈ স্নেহাক সকলোবোৰ কথা ক'লে। কথাবোৰ শুনি স্নেহাই বৰ দুখ পালে। কেইদিনমানৰ পাছত মেট্রিক পৰীক্ষা আৰম্ভ হ'ল। দুইজনীৰ ফলাফল ভাল হ'ল। মেট্রিক পৰীক্ষা দিয়াৰ পাছত দুইজনী বান্ধৱীয়ে দুখন কলেজত নামভৰ্ত্তি কৰিলে। স্নেহাই গোলাঘাটত আৰু ক্রিতিয়ে গুৱাহাটীত। কিন্তু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত স্নেহাই ক্রিতিতকৈ ৩০ শতাংশ বেছিকৈ নম্বৰ পালে। তেতিয়াহে ক্রিতিৰ মাক-দেউতাকে বুজি পালে যে দুখীয়া বুলি কাকো এৰি দিব নালাগে।

শ্রীমতী প্রিয়ানন্দিনী দুৱৰা
ৰোলং-১, শ্রেণী-অষ্টম



# উৰা বাতৰিত কাণ নিদিবা

এবাৰ বোধিসত্বই সিংহৰূপে জন্ম গ্ৰহণ কৰিছিল। তেওঁ সাগৰৰ পাৰৰ এখন অৰণ্যত বাস কৰিছিল। সেই অৰণ্যত এডাল বেলগছ আৰু এডাল তালগছৰ মধ্যৱৰ্তী ঠাইত গাঁতত এটা শহা বাস কৰিছিল। প্ৰায় দিনটো সি ইফালে-সিফালে ঘূৰি ঘাঁ-পাত বিচাৰি ফুৰে, আৰু সন্ধিয়াৰ বহুত আগেয়ে সি নিজৰ গাঁতত আশ্ৰয় লয়। আকৌ পিছদিনা ৰাতিপুৱা ওলাই যায়।

শহাৰ মনটো আছিল বৰ কল্পনা প্ৰৱণ। গাঁতত বহি বহি সি নানা ধৰণৰ বিষয় লৈ কল্পনা কৰে, সপোন দেখিবলৈ ভাল পায়।

এদিন সি মুখত একোচা ঘাঁহ লৈ আহি নিজৰ গাঁতৰ ওচৰত বহি আৰাম কৰি চোবাইছিল আৰু নানা কথা ভাবিছিল। হঠাৎ তাৰ মনত ভাব হ'ল, এই পৃথিৱীখন যদি কিছুসময়ৰ ভিতৰতে ধ্বংস হৈ যায়, তেনেহ'লে কি হ'ব ক'লৈ গৈ সি নিজৰ প্ৰাণটো ৰক্ষা কৰিব? ইয়াকে ভাবি সি বৰ ভয় খাই চঞ্চল হৈ উঠিল। ভাবিলে, এই মুহুৰ্ত্ততে যদি পৃথিৱীখন ধ্বংস হোৱা আৰম্ভ হয়, তেনেহ'লে তাৰ কি গতি হ'ব, ক'লৈ যাব সি।

ঠিক সেই সময়তে তাল গছৰ পৰা তাল এটা ধপ কৰি মাটিত পৰিল। অলপ পিছতে পৰিল এটা বেল। সেই ধুপ্-ধাপ শব্দ শুনি ভয়ত অস্থিৰ হৈ উঠিল শহা। এয়া বোধহয় ধ্বংস আৰম্ভ হৈ গ'ল। এতিয়াই গছ বাগৰিব, মাটিত ফাট মেলিব - সি কি কৰে, ক'লৈ যায় এতিয়া সি প্ৰাণৰ তাগিদাত তৰা-নৰা ছিগি দৌৰিবলৈ ধৰিলে।

দৌৰোঁতে দৌৰোঁতে যিবোৰ জন্তু বাটে-ঘাটে লগ পালে সিহঁতকো সি কৈ গ'ল, ভাইহঁত পৃথিৱী ধ্বংস আৰম্ভ হৈ গৈছে সকলোৱে পলোৱা পলোৱা।

তাৰ কথা শুনি, একো চিন্তা নকৰাকৈ জন্তুবোৰেও শহাৰ পিছে পিছে দৌৰিবলৈ ধৰিলে। তাৰ পিছত এনে অৱস্থা হ'ল, বনৰ অন্যান্য পশুবোৰে কোনেও কাৰো কথা নুশুনি সকলোবোৰ পলোৱা দেখি সিহঁতেও শহাৰ পিছে পিছে দৌৰিবলৈ ধৰিলে। অৰণ্য প্ৰায় শূণ্য হৈ পৰিল।

এইবোৰ ঘটনা দেখি সিংহৰূপী বোধিসত্বই অতিশয় বিস্মিত হৈ এটা পশুক সুধিলে, তোমালোকে এই অৰণ্য ত্যাগ কৰি পলাইছা কিয়? ক'লৈ যাবা?

যাক তেওঁ কথাটো সুধিছিল, সি আছিল এটা হৰিণ। হৰিণে ক'লে কিয় পলাইছো সেই কথাটো মই নাজানো। সকলোৱে পলাইছে, মই সেইবাবেই পলাইছো। সেই কুকুৰনেচীয়াই বোধহয় জানে।

বোধিসত্বই তেতিয়া কুকুৰনেচীয়াক সুধিলে কি কথা, ক'লৈ পলাইছা তোমালোক?

কুকুৰনেচীয়াই ক'লে, তাকতো নাজানো মহাৰাজ, সকলোৱে যি কৰিছে ময়ো তাকেই কৰিছো। সেই শিয়ালক সোধক সি জানিব পাৰে। শিয়ালেও একো ক'ব নোৱাৰিলে। তথাপি এটা কথা ক'লে -- শুনিছো শহাই হেনো ঘটনাটো জানে। তাক পলোৱা দেখি আমিও পলাইছো। আপুনি শহাক সোধক।

সিংহই তেতিয়া ডাঙৰ ডাঙৰ জাপ মাৰি আগুৱাই গৈ শহাক ধৰিলে। শহাই ক'লে, মহাৰাজ, পৃথিৱীখন ধ্বংস হ'বলৈ আৰম্ভ কৰিছে বুলি মই পলাইছো। সিংহই সুধিলে, পৃথিৱী ধ্বংস হৈছে, সেয়া তুমি কেনেকৈ জানিলা? শহাই ক'লে, হাবিৰ মাজত ধুপ্-ধাপ আৰম্ভ হৈছে।

কিহৰ কি শব্দ হৈছে, তাকে শুনি তুমি বুজি পালা যে, পৃথিৱী ধ্বংস হৈছে। চমৎকাৰ জ্ঞান তোমাৰ। আৰু সেইকথা ভাবি বনৰ সকলো পশুকে তুমি দৌৰাইছা। বাৰু ধৰি ল'লো পৃথিৱী ধ্বংসই হৈছে -- কিন্তু তোমালোকে দৌৰি পলাবা ক'ত? তোমালোকে য'লৈ যাবা, সেই ঠাইখনো পৃথিৱীৰে ঠাই।

তাকে শুনি অন্য পশুবোৰে ক'লে, সঁচা কথা তালৈ গ'লেও আমি মৰিম। তেনেহ'লে প্ৰভু এতিয়া আমি কি কৰোঁ? সিংহই ক'লে, কি আৰু কৰিবা, তোমালোকে নিজৰ নিজৰ ঠাইলৈ উভতি যোৱা। যদি পৃথিৱী ধ্বংস হয়, মানুহ, দৈত্য-দানৱ, কীট-পতঙ্গ, পশু-পক্ষী সকলোৱে লগত আমিও মৰিম। তোমালোকে অলপ মূৰ ঠাণ্ডা কৰি চিন্তা কৰিবলৈ শিকা-পৃথিৱী কিয় হঠাৎ ধ্বংস হ'বলৈ যাব? গোটেই পৃথিৱীত কত ধৰণৰ শব্দ হৈছে - যুগ যুগ ধৰি প্ৰতিনিয়ত শব্দ হৈয়ে আছে, তেনেহ'লেতো ইমানদিনে পৃথিৱী ধ্বংস হৈ গ'লহেঁতেন।

তাৰ পিছত শহাৰ মুখত সবিশেষ ঘটনা শুনি সিংহই আৰু ক'লে, এই শহাটোৰ দৰে ভয়ংকৰ কল্পনা-প্ৰৱণ মনৰ বহু লোক মানুহৰ মাজতো আছে। তেওঁলোকে নানা ধৰণৰ 'উৰা-বাতৰি' উলিয়াই দি বহুক্ষেত্ৰত সমাজৰ ক্ষতি কৰি থাকে। তেওঁলোকৰ পৰা সাৱধানে থকা প্ৰয়োজন। যেতিয়াই দেখিবা কোনো উৰা-বাতৰি প্ৰচাৰ হ'ল, তেতিয়া প্ৰথমে তাৰ কাৰণটো জানিবলৈ চেষ্টা কৰিবা, নহ'লে দেখিবা তোমালোকৰে ক্ষতি হ'ব।

ইয়াৰ পিছত পশুবোৰে আকৌ নিজৰ নিজৰ ঠাইলৈ উভতি গ'ল।

**উপদেশ ঃ** উৰা-বাতৰিত কাণ নিদিয়াটো বুদ্ধিমানৰ কাম।

শ্ৰীমতী পল্লৱী শইকীয়া
ৰোল নং ঃ- ১১শ্ৰেণী ঃ অষ্টম

# দুই বাই-ভনী ৰীণা আৰু মীনা

এখন গাঁৱত এহাল খেতিয়কৰ দুজনী ছোৱালী আছিল। ছোৱালী দুজনীৰ নাম আছিল ৰীণা আৰু মীনা। ৰীণা ডাঙৰ আৰু মীনা সৰু। ৰীণাক মাকে ভাল পোৱা নাছিল কিন্তু দেউতাকে বৰ ভাল পাইছিল। লাহে লাহে দুয়ো বাই-ভনী ভাল হ'ল। ৰীণা পঢ়া-শুনা, কাম-বন আৰু বিভিন্ন ক্ষেত্ৰত আগবঢ়া বাবে ৰীণাক দেউতাকে বৰ মৰম কৰিছিল। কিন্তু মাকে ভাল পোৱা নাছিল। মীনা আকৌ ৰীণাৰ দৰে নহয়। তাই বাহিৰা কথাবোৰত বৰ বেছি মন দিছিল। সেইবাবে তাই পঢ়া-শুনাত আগবাঢ়ি যাব নোৱাৰে। তেনেদৰে বহুদিন গ'ল। এদিন দুয়ো বাই-ভনীৰে বিয়াৰ দিন ওচৰ চাপিলে। এদিন এজন বৰ চহকী ঘৰৰ ল'ৰা মাক-দেউতাকৰ সৈতে আহিল আৰু দুয়ো বাই-ভনীৰ ভিতৰত যিজনী আটাইতকৈ ধুনীয়া সেইজনীকে নিম বুলি ক'লে। ৰীণা আৰু মীনাৰ ভিতৰত ৰীণা ধুনীয়া আছিল। সেইবাবে ৰীণাক মাকে আলহীৰ ওচৰলৈ আহিবলৈ নিদি এটা বন্ধ কোঠাত সুমুৱাই থ'লে। তাৰ পাছত ৰীণাক আলহীৰ ওচৰলৈ আনি আলহীক চিনাকি কৰি দিলে। তাৰ পাছত ল'ৰাৰ ঘৰৰ মাক-দেউতাকে মীনাক দেখি মীনাকে তেওঁলোকৰ ল'ৰালৈ বোৱাৰী হিচাপে নিম বুলি ক'লে। আৰু লাহে লাহে মীনাৰ বিয়াৰ দিন চাপিল আৰু মীনাক ধুম-ধামেৰে বিয়া দিলে। তাৰ পাছত সিহঁতৰ ডাঙৰ ছোৱালী ৰীণাক বিয়া নিদি ঘৰত থকাৰ বাবে সিহঁতৰ গাঁৱৰ সকলোৱে কয় আপোনালোকৰ সৰু ছোৱালীজনীহে বিয়া দিলে পিছে ডাঙৰ ছোৱালীজনীহে থাকি গ'ল তাই কি ঘৰতে থাকি বুঢ়ী হ'ব নেকি? এনেদৰে গাঁৱৰ মানুহবোৰে নিন্দা কৰা বাবে তাইক মাকে খঙতে এটা দুখীয়া ঘৰৰ ল'ৰালৈ বিয়া দিলে। পিছে ৰীণাৰ তাত কোনো আপত্তি নাছিল। ৰীণাই তাত সুখেৰে খাইছিল আৰু মীনাইয়ো সুখেৰে খাইছিল। কিন্তু ৰীণাই মাজে সময়ে ঘৰলৈ আহি থাকে কিন্তু মীনাই ঘৰখনলৈ নাহে। মাক-দেউতাক বুঢ়ী হৈ আহিল। এদিন মাক-দেউতাকৰ হঠাৎ বেমাৰ হ'ল।বেমাৰ-আজাৰবোৰ হোৱাৰ বাবে ৰীণাই মাক-দেউতাকক আল-পৈচান ধৰিছিল। কিন্তু মীনাৰ কোনো খবৰেই নাই আৰু মাকেও বুজি পালে যে মীনা যিমান ভাল তাতকৈ ৰীণা দুগুণ ভাল। ৰীণাক মাকে মৰম কৰিবলৈ ল'লে। তাৰ পাছত মাক-দেউতাকে ৰীণা আৰু ৰীণাৰ গিৰিয়েকক বৰ ভাল পালে। কিন্তু বহু বছৰৰ পাছত মীনা গিৰিয়েকৰ সৈতে ঘৰলৈ এদিন আহিছিল। সিহঁতে অহা বুলি জানি মাক-দেউতাকে মীনাক পদূলিৰ পৰাই খেদিলে। তাৰ পাছত মাক-দেউতাক সুখেৰে থাকিল।





শ্ৰীমতী পিকুমণি দত্ত

ৰোল নং ঃ- ৩ শ্ৰেণী ঃ অষ্টম

*(কবিতাটো লিখা হৈছে অভিজিত আৰু নিলোৎপলৰ লগত কাৰ্বি পাহাৰত হোৱা ঘটনাক লৈ)*

## সোপাধৰা

শ্ৰী মনজিৎ বৰা
শ্ৰেণীঃ নৱম

মা ঔ মা
তই আহিছিলিনে আমাক বিচাৰি
কাৰ্বি পাহাৰলৈ
মা ঔ মা
তই আহিছিলিনে আমাক বিচাৰি
কাৰ্বি পাহাৰলৈ
যদি তই নাহিলি ভালেই কৰিলি
মা ঔ মা
আমাক মৰাৰ দৰে
তোকো মাৰিলেহেঁতেন
মা ঔ মা
আমাক মৰাৰ দৰে
তোকো মাৰিলেহেঁতেন
আমি একো ভুল কৰা নাছিলো
ঔ মা
আমি একো দোষ কৰা নাছিলোঁ
ঔ মা
আমাক হেনো সোপাধৰা
বুলিহে মাৰিলে
ঔ মা
আমি হেনো সোপাধৰাহে
মা ঔ মা
আমি চিঞৰি চিঞৰি গাই শুনাইছিলোঁ
অসমীয়াৰ গান
সেই গানতেই
তোৰো নাম লৈছিলো আমি
ঔ মা
নুশুনিলে অসমীয়াৰ গান
নুশুনিলে তোৰ নাম
ঔ মা
দেউতাক কবি
আমি এতিয়া কাৰ্বি পাহাৰতহে
ঔ মা
অসমীয়া সকলোকে কবা
আমি এতিয়া কাৰ্বি পাহাৰতহে আছোঁ
ঔ মা
তই নাকান্দিবি এতিয়া
ঔ মা
শুবলে হ'লেই ঔ মা
শুই থাক তই
মোৰ কথা নাভাবিবি তই এতিয়া
মা ঔ মা
মোৰো টোপনি আহিছে
ঔ মা
মই শুই থাকো দেই
ঔ মা
তই নাকান্দিবি এতিয়া
মা ঔ মা
তই নাকান্দিবি এতিয়া ঔ মা............।

## হৰিনাম

শ্ৰীমতী ৰুণজুন বৰা
শ্ৰেণীঃ নৱম

মুখে মুখে হৰিনাম
হৰিনাম ৰসে
মানুহৰ সোঁত বোৱাই
সোঁতত ধূপ-ধূনাই
উৎফুল্লিত কৰে ভক্তৰ মন
হৰিনামত মানুহৰ মুখ শুকায়
হাত চাপৰিত হাত বিষায়
মাতবোৰতো ছিৱাল ফাঁট দিয়ে
কোনেও কাকো মাতিব নোৱাৰে
ভদীয়া নামত পিতাইৰ বুকু উফন্দি
আইৰো গাত তৰণি নাথাকে,
দিনবোৰ কেনেকৈনো যায় ভাদ মাহত
হিচাপেই নোলায় আঙুলি মূৰত।



## অধিকাৰ

শ্ৰীমতী চঞ্জনা তামাং
শ্ৰেণীঃ নৱম
ৰোল নং ঃ ১৩

আমাৰ দেশ আমাৰ মাটি
ধুনীয়া এই পৃথিৱী।
উমলি জামলি থাকো আমি
সকলোৰে মিলি।
পৰিস্কাৰ কৰি ৰাখো আমি
এই বায়ু পানী।
গছ-গছনি কাটি হাবিৰ জন্তু মাৰি
নহওঁ আমি জ্ঞানী।
যেতিয়ালৈকে নাথাকে আমাৰ
এই সমভাৱ।
পৃথিৱীত আমাৰ জীয়াই থকাৰ
নাই কোনো অধিকাৰ।




## স্বাধীনতা

শ্ৰীমতী পল্লৱী গগৈ
শ্ৰেণীঃ নৱম

স্বাধীনতাৰ সংজ্ঞা দিওঁ কেনেকৈ?
স্বাধীনতা লাগে সকলোকে
লাগে জাতিক লাগে দেশক
স্বাধীনতা মানে কি?

স্বাধীনতা স্বাধীনতা বুলি আহি
আছে এজাক সমাল
কিন্তু কিহৰ স্বাধীনতা
চাৰিওফালে কেৱল মৰণৰ উদ্ৰ
উদগ্ৰ আহ্বান।



পৰমপিতাৰ সংগ্ৰামে দিলে
আমাৰ দেশক স্বাধীনতা
আজি স্বাধীনতাৰ ভাৰতবৰ্ষতেই
গৰজী উঠে বোম বাৰুদৰ ধ্বনি
তেন্তে কিহৰ স্বাধীনতা?
কিয় অকালতে প্ৰাণ হেৰুৱাই
সহস্ৰজনে স্বাধীনতাতো এয়া নহয়
স্বাধীনতা মানে শান্তি সম্প্ৰীতি
আৰু মিলনৰ সেঁতু এয়াহে
স্বাধীনতা।

# মোৰ কৰ্তব্য

শ্ৰীমতী
শ্ৰেণীঃ

মই এজনী ছাত্ৰী
পঢ়াই মোৰ কাম,
নিয়মমতে পঢ়ি-শুনি
ৰাখিম নিজৰ নাম।
মা-দেউতা দাদায়ে
শুভেচ্ছা আশীৰ্বাদ দিয়ে,
উজ্জ্বল জীৱন গঢ়িবলৈ
কৰ্তব্য সোঁৱৰাই দিয়ে।



## কৌতুক ঃ

গ্ৰাহক ঃ হেৰা দোকানী, ভাল চাই আঁঠুৰা এখন পাম নেকি?
দোকানী ঃ পাব, পাব একদম বঢ়িয়া, এটাও মহ সোমাব নোৱাৰে।
গ্ৰাহক ঃ হেৰা মোক ইমান মূৰ্খ বুলি ভাবিছা নেকি? যদি মহ এটাও সোমাব নোৱাৰে মই সোমাম কেনেকৈ হে?

# ভূপেন মামাৰ স্মৃতিত


শ্ৰীমতী সুস্মিতা দাস
শ্ৰেণীঃ নৱম



আমি হেৰুৱাইছিলো সমগ্ৰ জাতি
হিয়াৰ আপোন ভূপেন
মামাক
ভূপেন মামাই লিখিছিল গান
সেই গানেই আছিল সমগ্ৰ
জাতিৰ গান
নানা বাধা নেওচি তেওঁ
কৰিছিল সৃষ্টি
যি সৃষ্টিয়ে
তেওঁক ৰাখিব সদায়
অমৰ কৰি
পঁচাশীটা বছৰ তেওঁ গান গাই ফুৰিছিল
গোটেই বিশ্বতে খ্যাতি আছিল
তেওঁৰ সৃষ্টিয়ে তেওঁক ৰাখিছে জীয়াই
মানুহ থকালৈকে স্মৰণ কৰিব সদায়।

# জীৱন

শ্ৰী নীলমণি ফুকন
শ্ৰেণীঃ নৱম



উৰণীয়া মন উৰি উৰি যায়
জীৱন নহয় চিৰদিনীয়া হঠাতে হেৰায়
জীৱনৰ সুখখিনি ক'তনো হেৰায়
সুখ বিচাৰিলে দুখহে পায়
ক'ৰ পৰা আহে ক'লৈ যায়
সুখখিনি এৰি দুখকে পায়
ঘূৰণীয়া পৃথিৱীত মায়াৰে ভৰা
স্থিৰ নহয় কিন্তু মতলীয়া।



# মন যায় সাহিত্যিক হ'বলৈ

শ্ৰীমতী বুধন উৰাং
শ্ৰেণীঃ নৱম
ৰোল নং ঃ ১৮

মোৰ মন যায় সাহিত্যিক হ'বলৈ
নাজানো কিমান জ্ঞানী হ'লে হব পাৰি সাহিত্যিক,
নাজনো কিমান ভাষা জানিলে হ'ব পাৰি সাহিত্যিক,
নাজানো কিমান অধ্যয়ন কৰিলে হ'ব পাৰি সাহিত্যিক,
নাজানো একোৱেই সাহিত্যিকৰ সংজ্ঞা
মাথোঁ মন যায় সাহিত্যিক হ'বলৈ
বৰ মন যায় সাহিত্যিক হ'বলৈ,
সাহিত্যৰ জগতখনত ফুৰিবলৈ
মন যায় ভৱিষ্যতৰ বাবে জ্ঞান সাঁচি ৰাখিবলৈ,
নাজানো শব্দৰ একো জুতি
তথাপিও চেষ্টা কৰো সাহিত্যিক হ'বলৈ
কিছুমান শব্দৰ সানমিহলি কৰি দিলেই
হয় জানো বাক্য?
বাক্যবোৰ লগ লাগিলেই জানো হয়
কবিতা?
অৰ্থহীন শব্দৰে ভৰা বাক্যৰে ৰচিব পাৰি জানো
কবিতা?
নাজানো, নাজানো একোৱেই
নাজানো সাহিত্যৰ কথা
মাথোঁ মন যায়, মন যায়...................
সাহিত্যিক হ'বলৈ।

(কবিতাটো লিখা হৈছে শৰাইঘাটৰ যুদ্ধক লৈ)

# আমাৰ শৰাইঘাট

শ্ৰী মনজিত বৰা
শ্ৰেণীঃ নৱম

এতিয়াও মনত পৰে
অতীতৰ হৈ যোৱা
শৰাইঘাটৰ যুদ্ধলৈ
অ' মোৰ অসম দেশৰ
অসমীয়া




অ' মোৰ অসমবাসীৰ
অসমীয়া
এতিয়াও সেই দিনৰ যুদ্ধ হ'ব
তেতিয়ানো কোনে কি ক'ব
সেই অতীতৰ যুদ্ধত
অসমখনক ৰক্ষা কৰিছিল
লাচিত দাদাই ঔ
লাচিত দাদাই
এতিয়ানো ৰক্ষা কৰিব কোনে
এই শৰাইঘাটৰ যুদ্ধৰ
অসমখনৰ অসমীয়াকে
অ' মোৰ অসমদেশৰ অসমীয়া
অ' মোৰ অসমবাসীৰ অসমীয়া
অসমখনত সোমাবহি

বিদেশৰ আলহী
অসমত তেতিয়া অসমীয়াৰ
চিনাকি নাথাকিব ভাই-ভনীৰ
সেই দিনতে অসমীয়া
ৰসাতলে যাব ঐ
অসমখনক ৰক্ষা কৰিবলৈ হ'লে
ওলাই যাওঁ আহ বিপ্লৱ কৰোঁগে
সেই শৰাইঘাটৰে ঐ
অ' মোৰ অসম দেশৰ অসমীয়া
অ' মোৰ অসমবাসীৰ অসমীয়া।

# <u>আকাশ</u>

শ্ৰীমতী চঞ্জনা তামাং
শ্ৰেণীঃ নৱম
ৰোল নং ঃ ১৩

আকাশত জোন বেলি
তৰা আদি থাকে
আকাশখন মই
চুই চাম যেন লাগে।
আকাশে ডাৱৰৰ
সৃষ্টি কৰে
বৰষুণৰ টোপালবোৰ
আমাৰ ঘৰত পৰে।
দূৰৈত আকাশখন
লাগি থকা যেন লাগে
গৈ গৈ দেখো
একেই থাকে।।



# <u>মা</u>

শ্ৰীমতী সুপ্ৰীয়া বৰা
শ্ৰেণীঃ নৱম

মা তুমি ক'ত আছা
আহানা মোৰ কাষলে এবাৰ
তোমালৈ আজি মোৰ বৰ মনত পৰিছে
অ' মা
তোমাৰ কোলাত এবাৰ শুবলে
মোৰ বৰ মন গৈছে
অ' মা
মা তুমি আহিবানে
মোৰ কাষলে এবাৰ
কোৱা মা তুমি আহিবানে?
তোমাৰ বাবে মই ৰৈ থাকিম মা।



# খেৰৰ পুঁজি

শ্ৰীমতী মম্পী হাজৰিকা
শ্ৰেণীঃ নৱম
ৰোল নং-৪

আঘোণৰ পথাৰত দাৱনিবোৰে
ধানৰ আগবোৰ মুঠি মুঠিকৈ কাটে,
খেতিয়কে ডাঙৰি বান্ধি
বিৰিয়াৰে ঘৰলৈ আনে।



বৰ চোতালত
ধানৰ মুঠিবোৰ
ঘূৰণীয়াকৈ
পাৰে।
গৰু নাইবা
মেচিনেৰে
মৰণা মাৰে।
ওখোনেৰে ধান
খেৰবোৰ
জোকাৰি পৃথক
কৰে,
ঘৰৰ পিছফালে বাৰীৰ চুকত
খেৰৰ পুঁজি সাজে।
গাঁৱলীয়া সমাজৰ এই পুঁজিটো
খেতিয়কৰ ঘৰত আছে।
গোটেই বছৰটো এই খেৰেৰে
না না কাম কৰে।

# আমাৰ বিদ্যালয়

শ্ৰীমতী পূজা বৰা
শ্ৰেণীঃ নৱম
ৰোল নং ঃ ৪৪

আমাৰ বিদ্যালয়খনি অতিকৈ শুৱনি
পঢ়িবলৈ ভাল লাগে।
সকলোৱে আমি মিলি জুলি থাকো
থাকো আমি লগে ভাগে।
আমাৰ বিদ্যালয় মাজভাগতেই
পুথিভঁৰাল এটি আছে।
সদায় কিতাপ পুথি লৈ
পঢ়োঁ উলাহেৰে।




শুৱনি আমাৰ
ফুলনি বাৰী
ফুলেৰে উপচি
পৰে,
গোলাপ তগৰ
ফুলিল
সুগন্ধি ফুলেৰে
তল উপচি পৰে।
ভাল পাওঁ আমাৰ
শুৱনি
বিদ্যালয়খনি
শুৱনি ফুলেৰে
উপচি পৰা
তাতোকৈ ভাল পাওঁ নিশাৰ আকাশখনি
জক-মকাই থকা তৰাৰে ভৰা

# পখিলা



শ্ৰীমতী ৰাণী গড়
শ্ৰেণীঃ নৱম
ৰোল নং ঃ ১০

পখিলাই পাখি মেলি আকাশত উৰে,
ফুল পৰি পখিলাই,
ৰস পান কৰে।
ৰঙা নীলা হালধীয়া আৰু সেউজীয়া
পখিলাবোৰ দেখিবলৈ
ইমানে ধুনীয়া।

# মোৰ মন যায়

শ্ৰীমতী চঞ্চনা তামাং
শ্ৰেণীঃ নৱম
ৰোল নং ঃ ১৩

মোৰ মন যায়
চৰাই হ'বলৈ
আকাশত উৰি ফুৰিবলৈ
মোৰ মন যায়
ফুল হবলৈ
ফুলনিত জিলিকি থাকিবলৈ

# মা

শ্ৰীমতী চিম্পী গুপ্তা
শ্ৰেণীঃ নৱম
ৰোল নং ঃ ১৬


হাঁহি দে মা
হাঁহি দে না
নেমাৰিবি মন
ইমান সৰু
কথাতে মোক
কিয় কৰ খং
পঢ়িম শুনিম ভালকৈ মই
ডাঙৰ মানুহ হম
তোকে তুলি ফুৰিবলৈ
গাড়ী এখন ল'ম
গাড়ী দেখি সকলোৱে
বাট এৰি দিব
মোকে দেখাই জাননে মা
তোৰেহে গুণ গাব
ঘৰে ঘৰে কাম কৰি
ফুৰিছিলি সি
গাঁৱৰ মূৰৰ সেউজী যে
তাইৰ পুতেকেই
হওঁ যদি ডাক্তৰ মই
গাঁৱৰ হব নাম
আমাৰ দৰে দুখীয়া মানুহ
মন ভৰি যাব।



# জাতি মাটিৰ গান

শ্ৰী নয়নমণি বৰা
শ্ৰেণী-ষষ্ঠ
ৰোল নং- ৪২

ঔ ককাই তই ওলাই আহিছনে নাই
ঔ ককাই তাই আহিচেনে নাই




দেশখন যায়
জাতিটো যায়
ঔ ককাই মই হলে ওলালোঁ।
ঔ ককাই
নাঙলৰ সিৰলুত
কিনো ধান সিঁচিলি
দুহাতেৰে আজুৰি
কিনো ধন ঘটিলি
কাকুতি কৰিলো আই।
কাকুতি কৰিহে খাম
তোৰ দেখোন একোকে নাই
দেশটো যায়
জাতিটো যায়
ককাই ঔ
মই হ'লে ওলালো
মই হলে
মই খোৰা শগুনত খেদিবলৈ হল
প্ৰতিজ্ঞা কৰিলো
এটি বৰ হ'ল
ঔ ককাই
বিদেশী ধৰিবলৈ হ'ল
জীৱনতে সঁপি ৰণলৈ ওলালোঁ
পিতৃ পুৰুষৰ
অনাশ মাটিত
কেনেকৈ দিওঁ বাৰু আনক
সেইহে ওলাবলৈ হ'ল।
সেইহে ককাই ময়ো ওলালো
তয়ো ওলাই আহ

১। শিক্ষাই প্ৰতিজন মানৱৰ মনত নিহিত হৈ থকা সাৰ্ব্বজনীন যুক্তিসিদ্ধ ভাৱধাৰাসমূহ বাহিহত প্ৰকাশ কৰে।

-- চক্ৰেটিচ

২। ছাত্ৰসকলে দলীয় ৰাজনীতিত লিপ্ত হ'ব নোৱাৰে। সকলো বিষয়ৰ কিতাপ পঢ়াৰ দৰে সকলো দলৰ কথা তেওঁলোকে শুনিব পাৰে। কিন্তু তেওঁলোকৰ কাম হ'ল ইয়াৰ মাজৰ পৰা সত্যখিনি গ্ৰহণ কৰি বাকীখিনি পৰিহাৰ কৰাটো। তেওঁলোকৰ কাৰণে এই কামেই উপযুক্ত।

-- মহাত্মা গান্ধী

৩। ছাত্ৰ অৱস্থাত জাতীয়তাৰ দ্বাৰা অনুপ্ৰাণিত হ'ব নোৱাৰিলে ছাত্ৰ জীৱন ব্যৰ্থ।

-- তৰুণৰাম ফুকন

৪। আমাক এনে শিক্ষা লাগে যাৰ দ্বাৰা আমাৰ সৎ চৰিত্ৰ গঠন হয়। যাৰ দ্বাৰা মানসিক বল বৃদ্ধি হয়, যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হ'ব আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত ঠিয় দি আত্মনিৰ্ভৰশীল হ'ব পাৰো।

-- স্বামী বিবেকানন্দ

৫। মই কেৱল একেটা কথাকে জানো, সেইয়া হ'ল মই একো নাজানো।

--চক্ৰেটিচ

৬। শিক্ষাৰ উদ্দেশ্য মন প্ৰশস্ত কৰা, চিন্তাশক্তি বঢ়োৱা, শিক্ষাৰ্থীক নানা ভাৱ দি ভৱিষ্যত জীৱন-যুদ্ধত দেশৰ আৰু জগতৰ কল্যাণ সাধনত সৰ্ব্বতোপ্ৰকাৰ যোগ্যবান কৰা।

--তৰুণৰাম ফুকন

৭। ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল লক্ষ্য।

--চক্ৰেটিচ

৮। জ্ঞান হৈছে স্বৰ্গীয় বস্তু, জ্ঞানেই পূণ্য। জ্ঞান থাকিলে মানুহ সুখী হ'ব পাৰে। --চক্ৰেটিচ

৯। শিক্ষাৰ দ্বাৰা মই শিশুৰ দেহ, মন আৰু আত্মাৰ সৰ্বতো সুখী বিকাশকে বুজে। -- মহাত্মা গান্ধী

১০। মানৱ অন্তৰত নিহিত হৈ থকা বিকাশেই হ'ল শিক্ষা। -- স্বামী বিবেকানন্দ

১১। মানুহৰ জ্ঞান তিনি ঠাইৰ পৰা উৎপত্তি হয়। ১। অনুভূতিসূচক ইন্দ্ৰিয়মূহৰ পৰা ২। উপদেশ বা পৰামৰ্শৰ পৰা আৰু ৩। চিন্তাশক্তি বা বিবেকৰ পৰা -- প্লেটো।

১২। মানুহৰ ভিতৰত যি পূৰ্ণতা সুপ্তভাৱে আছে তাৰ বিকাশেই শিক্ষাৰ লক্ষ্য। -- স্বামী বিবেকানন্দ

১৩। মানুহৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰাই হৈছে শিক্ষা। -- মহাত্মা গান্ধী

সংগ্ৰাহক ঃ শ্ৰী দিব্যজ্যোতি বৰা
শ্ৰেণী ঃ নৱম

১। 'ভাওনি কোঁৱৰ' বুলি কোনজন কবিক কোৱা হয়?
= কবি আনন্দচন্দ্ৰ আগৰৱালা।

২। শ্ৰীমন্ত শংকৰদেৱৰ কিমান চনত মৃত্যু হৈছিল?
= ১৫৬৮ চনত

৩। আৰ্য্যসকলৰ আদিম বাসভূমি ক'ত আছে?
= মধ্য এছিয়াত।

৪। চেনি কোনে আৱিষ্কাৰ কৰিছিল?
= সম্ৰাট জামছেদ।

৫। অৰ্থনীতি বিজ্ঞানৰ পিতৃস্বৰূপ কোন?
= এডাম স্মিথ

৬। নিউক্লীয় পদাৰ্থবিজ্ঞানৰ পিতৃ কোন?
= ৰাডাৰ ফৰ্ড

৭।　প্ৰথম বৈজ্ঞানিক গ্ৰন্থ কোনখন আছিল?
= 'The Little Balance'

শ্ৰী নীলমণি ফুকন
শ্ৰেণী ঃ নৱম

# মহৎ লোকৰ বাণী

১।　মোৰ জীৱনেই মোৰ বাণী।
-- মহাত্মা গান্ধী

২।　শিক্ষক হৈছে জ্ঞানৰ জ্যোতি প্ৰদান কৰোঁতা।
-- সৰ্বপল্লী ৰাধাকৃষ্ণন

৩।　এলাহ আৰু খং ত্যাগ কৰিলে প্ৰত্যেকজন মানুহেই উন্নতিৰ পথ সুগম কৰিব পাৰিব।
-- জৱাহৰলাল নেহৰু

৪।　কালৰ বিৰুদ্ধে সংগ্ৰাম কৰাটোৱেই হৈছে জীৱন।
-- জৱাহৰলাল নেহৰু

৫।　যাৰ অন্তৰ মলিন তেওঁ অদৃশ্য।
-- মহাত্মা গান্ধী

শ্ৰীমতী ৰেখা শইকীয়া
শ্ৰেণী ঃ নৱম

# মহৎ লোকৰ বাণী

১।　আমাৰ চিন্তা ভাৱনাৰ পৰাই চৰিত্ৰ গঠন হয়।
-- আনন্দচন্দ্ৰ আগৰৱালা

২।　সত্যক জানিবলৈ চেষ্টা কৰা, ই তোমাক মুক্তি দিব।
-- মহাত্মা গান্ধী

৩।　মূৰ্খ আৰু অজ্ঞানীয়ে সত্য কি বস্তু নাজানে।
-- বুদ্ধদেৱ

৪।　মানুহৰ হাতত অহিংসা শক্তিয়েই সৰ্ব্বশ্ৰেষ্ঠ শক্তি।
-- মহাত্মা গান্ধী

শ্ৰী অৰুণ বৰা
শ্ৰেণী-নৱম

# মহৎ লোকৰ অমৃত বাণী

১।　"মই সেইখন ভাৰত গঢ়িবলৈ বিচাৰোঁ, যিখন ভাৰতত দৰিদ্ৰতম মানুহজনেও ভাবিব -- এইখনেই তেওঁৰ দেশ, এইখন দেশত তেওঁৰ এটা স্বকীয় সত্বা আছে। সেই ভাৰতত নাথাকিব উচ্চ-নীচৰ ভেদভাৱ, সম্প্ৰদায়ে সম্প্ৰদায়ে থাকিব অকুণ্ঠ প্ৰীতি।" -- মহাত্মা গান্ধী

২।　"মানুহে শিকা সকলো কথা পাহৰি যোৱাৰ পিছতো যিখিনি কথা মানুহৰ মনত ৰৈ যায় সেইখিনিয়েই হ'ল প্ৰকৃত শিক্ষা।" -- বি.এফ. স্কিনাৰ

৩।　"মানুহ এজন নমৰালৈকে কেতিয়াও সুখী হ'ব নোৱাৰে; খুব বেছি ক'ব পাৰোঁ যে তেওঁ এজন ভাগ্যৱান মানুহ।"
-- ছোলন

৪।　"যি মানুহে নিজে শ্ৰদ্ধা বিচাৰি ফুৰে তেওঁক শ্ৰদ্ধা কৰাটো অসম্ভৱ হৈ পৰে।" -- ভঙে নাৰ্গছ

৫।	“সমগ্ৰ পৃথিৱী মোৰ স্বদেশ, পৰোপকাৰ মোৰ ধৰ্ম।” -- টমাচ পেন

৬।	“জন্মতে কোনো মানুহেই মানুহ হৈ নাহে। গোটেই জীৱন ধৰি মানুহে নিজক মানুহ কৰি গঢ়ি তোলে।” -- জাঁপল

৭।	“দেশ মানে কেৱল ভূগোলৰ মানচিত্ৰ নহয়। দেশ মানে মানুহ।” -- ড° নগেন শইকীয়া

৮।	“মই পাৰিলে কাৰোবাক উপকাৰ কৰিম। উপকাৰ কৰিব নোৱাৰিলে, কিন্তু মই জানি শুনি কাৰো অপকাৰ নকৰো।” -
- ভবেন্দ্ৰনাথ শইকীয়া

শ্ৰীমতী চুমচুম শইকীয়া

# মহৎ লোকৰ বাণী

১।	যিজনে পৰৰ দুখত কাতৰ হয়, পৰৰ দুখত যিয়ে উপলব্ধি কৰিব পাৰে; সেইজনেই প্ৰকৃত মানুহ। -- স্বামী বিবেকানন্দ

২।	শিক্ষক হ'ল জ্ঞানৰ চাকি, সেই চাকিৰ জ্যোতিয়ে ছাত্ৰ-ছাত্ৰীৰ মানসিক সত্বাক আলোকিত কৰে। -- ৰবীন্দ্ৰনাথ ঠাকুৰ

৩।	সকলো ধৰ্মৰ মূল কথা এটাই, সেইটো হৈছে মানুহক মানুহৰূপে গঢ়ি তোলা। -- সৰ্বপল্লী ৰাধাকৃষ্ণণ

শ্ৰীমতী দীক্ষা দত্ত
শ্ৰেণী ঃ নৱম
ৰোল নং ঃ ০১

# মহৎ লোকৰ বাণী

১।	মদ এনে এবিধ বস্তু যি জীয়াক মাৰে আৰু মৰাক সংৰক্ষণ কৰে। -- জামাকচ

২।	নম্ৰতা সজ ব্যৱহাৰৰ অনুপান। -- সত্যনাথ বৰা

৩।	জীৱনে যেতিয়া তোমাক খুন্দিয়াই বগৰাই দিয়ে তেতিয়া পিঠি পাৰি পাৰিবলৈ চেষ্টা কৰিবা। কাৰণ তুমি যদি ওপৰলৈ চাব পাৰা উঠিবও পাৰিবা। -- লেছ ব্ৰাউন

৪।	চকুৰে নেদেখাজনক অন্ধ বুলিব নোৱাৰি, নিজৰ দোষ ত্ৰুটিবোৰ লুকাই ৰখা জনহে প্ৰকৃতাৰ্থত অন্ধ। -- মহাত্মা গান্ধী

৫।	লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম, কিন্তু নিজক নিৰ্দোষী কৰাটো তাতোকৈ বুদ্ধিমানৰ কাম। -- মহাত্মা গান্ধী

ছ।	ভীৰুৰ দৰে জীয়াই থকাতকৈ বীৰৰ দৰে মৃত্যুবৰণ কৰায়েই শ্ৰেয়। -- মহাত্মা গান্ধী

শ্ৰী বিশ্বজিত শৰ্মা
শ্ৰেণী ঃ নৱম

# কৌতুক

ছাৰ ঃ জয়শ্ৰী, কোৱাচোন তুমি ডাঙৰ হৈ কি কৰিবা?
জয়শ্ৰী ঃ গায়ক হ'ম ছাৰ।
ছাৰ ঃ ভটং বোপাই কোৱাচোন তুমি ডাঙৰ হৈ কি কৰিবা?
ভটং ঃ বিয়া পাতিম ছাৰ।
ছাৰঃ নহয় অ' তুমি মা-দেউতাৰ বাবে কি আনিবা?
ভটং ঃ ছাৰ বোৱাৰী আনিম।
ছাৰ ঃ ঐ ভটং তোৰ জীৱনৰ মূল উদ্দেশ্যটো কি?
ভটং ঃ লাজ লাগে ক'বলৈ ছাৰ।
ছাৰঃ কি লাজ লাগে ক?
ভটংঃ আমি দুটা আমাৰ দুটা ছাৰ।

ছাৰঃ ঐ তোৰ নিচিনা মূৰ্খ এটা কোনো নাই। বহুত গৰুক মই ডক্টৰ ইঞ্জিনিয়াৰ বনাইছো।
বলোৰাম ঃ ছাৰ তেতিয়াহ'লে আমাৰ দমৰা গৰুটোক অকল মানুহ বনাই দিলে হ'ব ছাৰ, ইনেও আমাৰ ঘৰত মানুহ নাই মাত্ৰ ৪ টা আছে ছাৰ।

# সাঁথৰ

১। ভাল খৰি হয়
ফুল ভাজি খায়
পাতত ভাত খায়।
গাত আঞ্জা খাই
আঁহ ও বাকলি
এই গছ ক'ত পায়।
= কলগছ

২। হাবিৰ পৰা আনিলো গুটি
আঞ্জাত দিলে মূতি
= নেমু টেঙা।

৩। ৰুণুক জুনুক কৰে
নুপূৰ নহয়
খাপ পিটি মাৰি দিয়ে
বন্দুক নহয়
ওপৰেদি উৰি যায়
চৰাই নহয়
থাপ মাৰি মাছ খায়
বগলী নহয়
= জালখন

৪। খাদ্যবস্তু নহয় কিন্তু
সকলোৱে খায়
গছতো নালাগে ৰান্ধনীয়ে নাৰান্ধে
বজাৰত কিনিবলৈ নাই।
= বতাহ (অম্লজান)

শ্ৰীমতী ৰশ্মি কছাৰী
শ্ৰেণী ঃ নৱম

# কৌতুক

ছাৰ ঃ ঐ পিকু গাধটোক কিয় স্কুললৈ আনিছ? স্কুললৈ গাধ নানে নহয়।
পিকু ঃ ছাৰ আপুনিয়েতো কৈছিল যে ডাঙৰতকৈ ডাঙৰ গাঠবোৰকো মইয়ে মানুহ বনাইছো বুলি। সেইবাবেই মই ভাবিলো ইয়াকো মানুহ বনাই দিয়ক মোৰ স্কুল আহিবলৈ লগ এটা হ'ব।

যদু ঃ ঐ চুম তই যদি মোৰ ম'বাইলটো কিন তেতিয়া মোক কিমান টকা দিবি?
চুম ঃ তই যিমান টকাৰে ম'বাইলটো কিনিছিলি তাৰ আধাতো দিম।
যদু ঃ তেনে হ'লে মই ম'বাইলটো ১০০ টা চৰ দি লৈছিলো, তই ৫০ টা চৰ খাবলে সাজুনে?

শ্ৰীমতী জুবি বৰা
শ্ৰেণী ঃ নৱম

# কৌতুক

এজন চোৰৰ পত্নীক পুলিচে সুধিলে

পুলিচ ঃ আপোনাৰ পতিযে এজন চোৰ সেই কথা আপুনি জানেনে?

চোৰৰ পত্নী ঃ হয় জানো।

পুলিচ ঃ কেনেকৈ জানিলে?

চোৰৰ পত্নী ঃ যেতিয়া তেওঁ মোক পলুৱাই আনিছিল।

শ্ৰীমতী চঞ্জনা তামাং
শ্ৰেণী ঃ নৱম
ৰোল নং ঃ ১৩

# সাঁথৰ

১। ৰজাৰ কাপোৰ
তিয়াব পাৰি
শুকুৱাব নোৱাৰি।
= জিভা।

২। দিনত থাকে ল'ৰা-ছোৱালী
ৰাতি নাথাকে কোনো প্ৰাণী।
= পঢ়াশালি।

৩। পানী থাকিলে বগলী জীয়ে
পানী শুকাই গ'লে বগলী টো মৰে।
= চাকি

৪। মাৰিলে কান্দে, কাণত ধৰিলে
মানে মনে থাকে।
= বাতিটো

৫। ওপৰে ছাতি
তলত গুটি
তাক খাই
আহিন কাতি
= কচু

৬। এটা সাঁথৰ
চুঙাটো কাঠৰ
দুমূৰে দুটা গাঁঠি
মাজতে এডাল লাঠি।
= ঢোল আৰু মাৰি।

শ্ৰীমতী পাৰ্বতী বৰাইক
শ্ৰেণী ঃ নৱম
ৰোল নং ঃ ৩৬

# মহৎ লোকৰ বাণী

১। প্ৰেমৰ আনন্দ ক্ষণস্থায়ী, কিন্তু প্ৰেমৰ বেদনা স্থায়ী। -- ৰবীন্দ্ৰনাথ ঠাকুৰ

২। লোক মানুহৰ অনন্ত ব্যাধি। -- যুধিষ্ঠিৰ

৩। আমাৰ প্ৰধান কৰ্তব্য নিজক ঘৃণা নকৰা। -- স্বামী বিবেকানন্দ

৪। মৰমে মৰমৰ জন্ম দিয়ে। -- ছফো পলচ্

শ্ৰী সূৰজ প্ৰসাদ
শ্ৰেণী ঃ নৱম

# কুইজ

১। অসমীয়া প্ৰথম কবিতা পুথিখনৰ নাম কি?
উঃ প্ৰ াদ চৰিত।

২। অইল ইণ্ডিয়া লিমিটেডৰ পূৰ্বাঞ্চলৰ মুখ্য কাৰ্য্যালয় ক'ত অৱস্থিত?
উঃ দুলীয়াজানত।

৩। মহিলা পৰিচালকে পৰিচালনা কৰা প্ৰথম অসমীয়া কথাছবিখনৰ নাম কি?
উঃ নয়নমণি।

৪। ড° ভূপেন হাজৰিকাদেৱক 'সুধাকণ্ঠ' উপাধিৰে বিভূষিত কৰা ব্যক্তিজন কোন আছিল?
উঃ আনন্দচন্দ্ৰ বৰুৱা।

শ্ৰীমতী ৰেখা শইকীয়া

# কৌতুক

১। সময় আবেলি। পথাৰত চৰি থকা এটা গাধই আন এটা গাধক সুধিছে --

প্ৰথম গাধ ঃ কোৱাচোন ভাই খবৰ কেনে?

দ্বিতীয় গাধ ঃ মোৰ ভৱিষ্যৎ উজ্জ্বল ভাই।

প্ৰথম গাধ ঃ মোৰ মালিক এজন ধোবা। তেওঁৰ এজনী ধুনীয়া ছোৱালী আছে। আজিকালি জীয়েকৰ ওপৰত কিবা খং উঠিলেই গালি পাৰি কয়, "কেতিয়াবা খং উঠিব, তোক গাধটোৰ লগতে বিয়া পাতি দিম। তুমি ধৰি লোৱা ধোবাৰ খং উঠাৰ দিনা মোৰ বিয়া; চিন্তা নকৰিবা মোৰ বিয়াত তোমাক মাতিম। আহিবা কিন্তু।"

২। চাইকেল আৰোহী এজনে খোজকাঢ়ি যোৱা বাটৰুৱা এজনক খুন্দা মাৰি পেলাই দিলে। বাটৰুৱাজনে পৰাৰ পৰা উঠি পকেটৰ পৰা এটকীয়া মুদ্ৰা এটা উলিয়াই চাইকেল আৰোহীজনক আগবঢ়াই দিলে। চাইকেল আৰোহীজনে আচৰিত হৈ সুধিলে, "দাদা, মই আপোনাক খুন্দিয়াই বগৰাই দিলোঁ অথচ আপুনি মোক একো নকৈ উপহাৰহে দিছে?"

"ওঁ মোৰ অন্ধক দান দিয়াটো ধৰ্ম।"

৩। ছাত্ৰ ঃ ছাৰ, আমাৰ দেউতাই কৈছে -- আমাৰ পূৰ্বপুৰুষসকল বোলে বান্দৰ আছিল।
শিক্ষক ঃ জানো, হ'বও পাৰে। মইনো তহঁতৰ ঘৰৰ কথা কেনেকৈ জানিম।

শ্ৰীমতী পল্লৱী শইকীয়া
শ্ৰেণী ঃ অষ্টম

# সাঁথৰ

১। নহয় পক্ষীৰাজ ডালে কলে বাস
নহয় ৰামচন্দ্ৰ বাকলি বসন,
নহয় তৃনয়ণ তিনিটি নয়ন।
= নাৰিকল।

২। ঘৰৰ ওপৰত ঘৰ
তাতে পৰি মৰ
= আঁঠুৰা

৩। ৰজাৰ পুতেক ভোলা
পিন্ধে এশ চোলা
= কলডিল

৪। সজ ঠাইলৈ যাবা,
সজ ফুল খাবা,
কেঁচা পাতত বান্ধিবা লোণ
উপজিয়ে লৰ মাৰে কোন?
= জেঠী পোৱালি

৫। এটা সাঁথৰ,
চুঙাটো কাঠৰ
দুমূৰে দুটা গাঁঠি
মাজতে এডাল লাঠি।
= ঢোল।

শ্ৰীমতী জাহ্নৱী ভূঞা
শ্ৰেণী ঃ অষ্টম
ৰোল নং ঃ ৪

# প্ৰতিছবিৰ সম্ভাৰ



ছাত্ৰ একতা সভা সদস্য –সদস্যা

| | |
|---|---|
| ক. শ্ৰী উমেশ ভৰালী | – সভাপতি |
| খ. শ্ৰী অঞ্জন দুৱৰা | – সাধাৰণ সম্পাদক |
| গ. শ্ৰী বিবেক শইকীয়া | – সহ সাধাৰণ সম্পাদক |
| শ্ৰী মতী কংকী বৰা | – সহ সাধাৰণ সম্পাদক |
| ঘ. শ্ৰীমতী কংকী শইকীয়া | – সাংস্কৃতিক সম্পাদক |
| শ্ৰী মৌচুম বৰা | – সাংস্কৃতিক সম্পাদক |
| শ্ৰীমতী যশোদা দুৱাৰা | – সাংস্কৃতিক সম্পাদক |
| ঙ. শ্ৰীমতী চুম চুম শইকীয়া | – আলোচনী সম্পাদক |
| শ্ৰী বিজয় কুমাৰ চাহু | – আলোচনী সম্পাদক |
| চ. শ্ৰী চুম পাটনায়ক | – ক্ৰীড়া সম্পাদক |
| শ্ৰীমতী মনদিৰা তিৰ্কী | – ক্ৰীড়া সম্পাদক |
| ছ. শ্ৰী সৰুজিৎ হজাৰীকা | – সমাজসেৱা সম্পাদক |
| শ্ৰীমতী দীক্ষা দত্ত | – সমাজসেৱা সম্পাদক |

Bokial High School HSLC 1st Division Student Name 2020

| Sl No | Name | | Result | Percentage | Total Mark | Letter | Star/ Distinction |
|---|---|---|---|---|---|---|---|
| 1 | Rajshekhor Das |  | 1st | 79.2 | 475 | GM, G.Sc, S.Sc | Star |
| 2 | Gyandeep Gogoi |  | 1st | 73.8 | 443 | G.M, S.Sc | - |
| 3 | Nijora Missong |  | 1st | 66.5 | 399 | - | - |
| 4 | Bishal Robidas |  | 1st | 64.8 | 389 | - | - |

To be Continued........